# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 12-12-2025
**Time :** 1340 hrs

## *Assamese Evening Bulletin*

## HEADLINES

১। অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যু সন্দৰ্ভত এছ্ আই টিয়ে অভিযোগনামা দাখিল কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ইম্ফলৰ নুপি লাল স্মাৰকত ব্ৰিটিছ্ শাসনৰ বিৰুদ্ধে যুঁজ দিয়া মণিপুৰৰ সাহসী মহিলাসকলৰ প্ৰতি শ্ৰদ্ধা তৰ্পণ কৰে।

৩। প্ৰাক্তন কেন্দ্ৰীয় গৃহ মন্ত্ৰী শিৱৰাজ পাটিলৰ আজি মহাৰাষ্ট্ৰৰ লাটুৰত দেহাৱসান ঘটিছে।

৪। বিগত ১০ বছৰত দেশত খাদ্যশস্যৰ উৎপাদন ৪৪ শতাংশ বৃদ্ধি পাইছে।

*আৰু*

৫। ১৯ বছৰ অনুৰ্ধ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ উদ্বোধনী খেলত ডুবাইত ইউ এ ইৰ বিৰুদ্ধে ভাৰত অৱতীৰ্ণ হৈছে।

০০০০০

অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যু সম্পৰ্কত তদন্তৰ বাবে গঠন কৰা অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ বিশেষ তদন্তকাৰী গোট চমুকৈ এছ্ আই টিয়ে আজি গোচৰটো সন্দৰ্ভত অভিযোগনামা কামৰূপৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত দাখিল কৰে। এছ্ আই টিৰ মুৰব্বী বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাৰ নেতৃত্বৰ এটা দলে আজি দুপৰীয়া প্ৰায় ৩ হাজাৰ ৫০০ পৃষ্ঠাজোৰা অভিযোগনামা দাখিল কৰে। অভিযোগনামাত জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা, নৰ্থ-ইষ্ট ফেষ্টিভেলৰ অন্যতম আয়োজক শ্যামকানু মহন্ত, সংগীত শিল্পী অমৃতপ্ৰভা মহন্ত আৰু বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামীৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১০৩ ধাৰাৰ অধীনত হত্যাৰ অভিযোগৰ অভিযোগনামা দাখিল কৰা হৈছে। জুবিন গাৰ্গৰ সম্বন্ধীয় ভাতৃ তথা ছিংগাপুৰ যাত্ৰাৰ সংগী, অসম আৰক্ষীৰ নিলম্বিত বিষয়া সন্দিপন গাৰ্গৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১০৫ ধাৰাৰ অধীনত অনিচ্ছাকৃত হত্যাৰ অভিযোগৰ অভিযোগনামা দাখিল কৰিছে। তদুপৰি জুবিন গাৰ্গৰ দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ বিৰুদ্ধে বিশ্বাস ভংগৰ অভিযোগত অভিযোগনামা দাখিল কৰা হৈছে। উল্লেখযোগ্য যে যোৱা ২৫ ছেপ্তেম্বৰত গঠিত এছ্ আই টিয়ে এই সময়ছোৱাত প্ৰায় ৩০০ৰো অধিক লোকৰ সাক্ষ্য গ্ৰহণ কৰিছিল।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৮৬ সংখ্যক নুপি লাল দিৱস উপলক্ষে মণিপুৰৰ ইম্ফলত থকা নুপি লাল স্মাৰক পৰিদৰ্শন কৰে। তাত শ্ৰীমতী মুৰ্মুৱে ব্ৰিটিছ্ শাসনৰ বিৰুদ্ধে ন্যায় বিচাৰী যুঁজ দিয়া মণিপুৰৰ সাহসী মহিলাসকলৰ প্ৰতি শ্ৰদ্ধা তৰ্পণ কৰে।

মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লা, প্ৰাক্তন মুখ্যমন্ত্ৰী এন বিৰেণ সিং, বিধায়ক তথা চৰকাৰৰ উচ্চপদস্থ বিষয়াসকলৰ লগতে অন্যান্য লোকসকলেও এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰে।

ইপিনে, ৮৬ সংখ্যক ৰাজ্যিক নুপি লাল দিৱস ইম্ফলৰ জি পি অ'মেন কলেজত আয়োজন কৰা হয়। এই অনুষ্ঠানত ৰাজ্যখনৰ মুখ্য সচিব ড০ পুনিত কুমাৰ গোৱেল, ৰাজ্যিক নিৰাপত্তা উপদেষ্টা কুলদ্বীপ সিং, উচ্চপদস্থ বিষয়া আৰু আৰক্ষী বিষয়াসকলৰ লগতে অন্যান্য লোকসকলো উপস্থিত থাকে। অনুষ্ঠানত

সমবেত ৰাইজক উদ্দেশ্যি মুখ্য সচিবগৰাকীয়ে ১৯০৪ চনৰ পৰা ১৯৩৯ চনলৈ ব্ৰিটিছৰ বিৰুদ্ধে মণিপুৰী মহিলাসকলে কৰা সাহসী প্ৰতিবাদৰ প্ৰশংসা কৰে। তেওঁ লগতে ৰাজ্যখনৰ কলা আৰু সংস্কৃতি তথা ক্ৰীড়া আৰু অৰ্থনীতিলৈ মণিপুৰী মহিলাসকলৰ অৱদানৰ বিষয়েও শ্ৰদ্ধাৰে উল্লেখ কৰে। মুখ্য সচিবগৰাকীয়ে কয় যে চৰকাৰে দেশৰ মহিলাসকলৰ কল্যাণৰ বাবে বিশেষ কাৰ্যসূচী আৰু আঁচনি গ্ৰহণ কৰাৰ লগতে এইবোৰ বাস্তৱায়িত কৰিবলৈ পদক্ষেপ লৈছে। তেওঁ সমবেত লোকসকলক সাহসী মণিপুৰী মহিলাসকলৰ সাহসৰ কথা স্মৰণ কৰাৰ লগতে তেওঁলোকৰ পদাংক অনুসৰণ কৰিবলৈও আহ্বান জনায়। অনুষ্ঠানৰ অংশ হিচাপে বিশেষ নুপি লাল নাটকো মঞ্চস্থ কৰা হয়। পুৱাৰ ভাগত মহিলাসকলৰ মাজত এই দিৱস উপলক্ষে এটা দৌৰ প্ৰতিযোগিতাও অনুষ্ঠিত হয়। মণিপুৰত আজি বিভিন্ন দল-সংগঠনৰ লগতে মহিলা সংগঠনসমূহেও নুপি লাল দিৱস উদযাপন কৰে।

ooooo

জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় গৃহমন্ত্ৰী শিৱৰাজ পাটিলৰ আজি লাটুৰত ৯১ বছৰ বয়সত মৃত্যু হয়। পাটিলে আজি পুৱা তেওঁৰ নিজ বাসভৱনত শেষ নিশ্বাস ত্যাগ কৰে। দীঘলীয়া ৰাজনৈতিক পৰিক্ৰমাত তেওঁ কেইবাটাও পদত কাৰ্যনিৰ্বাহ কৰিছিল। প্ৰয়াত পাটিল লোকসভাৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ বহু গুৰুত্বপূৰ্ণ পদবীত অধিষ্ঠিত আছিল। তেওঁ লাটুৰ সমষ্টিৰ পৰা সাতবাৰকৈ লোকসভালৈ নিৰ্বাচিত হৈছিল।

লোকসভাত আজি প্ৰয়াত শিৱৰাজ পাটিলৰ মৃত্যু সম্পৰ্কে অধ্যক্ষ ওম বিৰলাই প্ৰকাশ কৰে। তেওঁ কয় যে প্ৰয়াত পাটিলে মহাৰাষ্ট্ৰৰ লাটুৰ সংসদীয় সমষ্টিৰ পৰা লোকসভালৈ নিৰ্বাচিত হোৱাৰ লগতে কেন্দ্ৰীয় গৃহমন্ত্ৰী আৰু পাঞ্জাৱ তথা ৰাজস্থানৰ ৰাজ্যপাল ৰূপেও সেৱা আগবঢ়াইছিল। তেওঁ কয় যে শিৱৰাজ পাটিলৰ অধ্যক্ষতাৰ সময়ছোৱাতে শ্ৰেষ্ঠ সংসদীয় বঁটা প্ৰদানৰ পৰম্পৰা আৰম্ভ হৈছিল।

ইপিনে, সামাজিক মাধ্যমত এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে প্ৰয়াত পাটিল এগৰাকী অভিজ্ঞ নেতা আছিল। তেওঁ বিধায়ক, সাংসদ, মহাৰাষ্ট্ৰ বিধানসভাৰ অধ্যক্ষ, লোকসভাৰ অধ্যক্ষ আদিকে ধৰি এটা দীঘলীয়া ৰাজহুৱা জীৱন অতিবাহিত কৰিছিল। শ্ৰীমোদীয়ে কয় যে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সমাজৰ কল্যাণৰ বাবে যথেষ্ট অৱদান আগবঢ়াই থৈ গৈছে। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছ, প্ৰাক্তন মুখ্যমন্ত্ৰী তথা সাংসদ অশোক শ্ৰাৱন আৰু অন্যান্য কেইবাগৰাকীও নেতাই প্ৰয়াত পাটিলৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে।

উল্লেখযোগ্য যে কাইলৈ লাটুৰৰ সমীপত দিনৰ ১১ বজাত শিৱৰাজ পাটিলৰ শেষকৃত্য সম্পন্ন কৰা হ'ব।

ooooo

বিগত ১০ বছৰত দেশৰ শস্যৰ উৎপাদন ৪৪ শতাংশ বৃদ্ধি হোৱা বুলি চৰকাৰে আজি প্ৰকাশ কৰিছে। ৰাজ্যসভাত আজি প্ৰশ্নোত্তৰ কালত পৰিপূৰক প্ৰশ্নৰ উত্তৰত কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে ২০১৪-ৰ পৰা ২০২৪ চনৰ ভিতৰত ত্বৰান্বিত কৃষি কৌশল, আধুনিক প্ৰযুক্তি তথা নতুন প্ৰকাৰৰ বীজৰ ব্যৱহাৰৰ জৰিয়তে এই প্ৰগতি সম্ভৱ হৈছে। কৃষিখণ্ডত সৰ্বাত্মক উন্নয়ন নিশ্চিত কৰাৰ বাবে চৰকাৰে অবিৰত প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ কয়, যে কৃষকসকলৰ উপাৰ্জন বৃদ্ধি কৰাত মোদী চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে। তদুপৰি কৃষিখণ্ডত সৰ্বাত্মক বিকাশ সাধনৰ বাবেও চৰকাৰে প্ৰয়াস অব্যাহত ৰাখিছে। কৃষি উৎপাদন ত্বৰান্বিত কৰাৰ বাবে ছয় দফীয়া বিশেষ কৌশল গ্ৰহণ কৰা হৈছে বুলিও তেওঁ সদৰি কৰে। প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ অধীনত কৃষকসকললৈ ২ লাখ কোটি টকাৰ সাৰৰ ৰাজ সাহায্য আগবঢ়োৱা হৈছে বুলিও তেওঁ উল্লেখ কৰে। এই অনুসৰি এতিয়ালৈ ৪ লাখ কোটিতকৈও অধিক ধন কৃষকসকলৰ একাউণ্টলৈ পোনপটীয়াকৈ হস্তান্তৰ কৰা হৈছে। প্ৰধানমন্ত্ৰী ফচল

বীমা যোজনাৰ অধীনত কৃষকসকলৰ একাউণ্টলৈ ১ লাখ ৯০ হাজাৰ কোটি টকালৈ ক্ষতিপূৰণ আগবঢ়োৱা হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিনেতা ৰজনীকান্তক তেওঁৰ জন্মদিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে শ্ৰী ৰজনীকান্তে প্ৰজন্মৰ পাছত প্ৰজন্মক মোহিত কৰি অহাৰ লগতে তেওঁৰ অভিনয়েৰে ব্যাপক প্ৰশংসা লাভ কৰি আহিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে বিভিন্ন চৰিত্ৰ তথা শৈলীত অভিনয় কৰি শ্ৰী ৰজনীকান্তে দৃষ্টান্তৰ সৃষ্টি কৰি অহা বুলিও উল্লেখ কৰে। চলচ্চিত্ৰৰ জগতখনক ৫০ বছৰ সম্পূৰ্ণ কৰাৰ বাবে তেওঁ অভিনেতাগৰাকীক প্ৰশংসা কৰে।

০০০০০

অন্ধ্ৰ প্ৰদেশৰ আল্লুৰি সীতা ৰামাৰাজু জিলাত আজি পুৱাৰ ভাগত এখন ব্যক্তিগত বাছত সংঘটিত দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ৯লৈ বৃদ্ধি পাইছে। বাছখনত মুঠ ৩৫গৰাকী যাত্ৰী আছিল আৰু ২২গৰাকী লোক আহত হয়।

যাত্ৰীবাহী বাছখনে পুৱাৰ ভাগত চুবুৰীয়া ৰাজ্য তেলেংগানা অভিমুখে গৈ থকা অৱস্থাত এই দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে স্থানীয় বাসিন্দা আৰু আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ আঘাতপ্ৰাপ্ত লোকসকলক উদ্ধাৰ কৰাৰ লগতে চিকিৎসাৰ বাবে তেওঁলোকক চিন্তুৰা অঞ্চলৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰে। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত পাঁচগৰাকী যাত্ৰীক ভদ্ৰাচালাম চৰকাৰী হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি দুখ প্ৰকাশ কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে।

০০০০০

পাকিস্তানৰ উত্তৰ ৱাজিৰিস্তানৰ মীৰআলিত যোৱানিশা এখন চৰকাৰী প্ৰাথমিক বিদ্যালয়ত এটা শক্তিশালী বোমা বিস্ফোৰিত হয়। জানিব পৰা মতে আয়াজকোটত থকা বিদ্যালয়খনত কোনো দুৰ্বৃত্তই ঘটোৱা এই বিস্ফোৰণত বিদ্যালয়খনৰ ভৱন ধ্বংসস্তুপত পৰিণত হোৱাৰ লগতে সকলো শৈক্ষিক কাম-কাজ ব্যাহত হয়। জিলা শিক্ষা বিষয়াই প্ৰকাশ কৰা অনুসৰি সেই অঞ্চলটোত পাঠদান হৈ থকা এইখনেই একমাত্ৰ প্ৰাথমিক বিদ্যালয় আছিল। কৰ্তৃপক্ষই ইতিমধ্যে শিক্ষাৰ্থীসকলৰ বাবে পাঠদানৰ অস্থায়ী ব্যৱস্থা কৰিছে।

০০০০০

ডুবাইৰ আই চি চি একাডেমী গ্ৰাউণ্ডত আজি আৰম্ভ হোৱা ১৯ বছৰ অনুৰ্ধৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতা ২০২৫-ৰ উদ্বোধনী খেলত সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে ভাৰতে বাতৰি লিখাৰ পৰলৈকে ৭ অ'ভাৰত এটা উইকেট হেৰুৱাই ৪৪ ৰান কৰিছে। ঘৰুৱা দল ইউ এ ইয়ে টছত জিকি ভাৰতক বেট ধৰিবলৈ আমন্ত্ৰণ জনায়। সুন্দৰ প্ৰদৰ্শনেৰে শেহতীয়াকৈ সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ উঠা বৈভৱ সূৰ্য্যবংশীও ভাৰতীয় দলত অন্তৰ্ভুক্ত হৈ আছে। প্ৰতিযোগিতাত পৰহিলৈ ভাৰত- চিৰ প্ৰতিদ্বন্দ্বী পাকিস্তানৰ মুখামুখি হ'ব।

এইবাৰ প্ৰতিযোগিতাত মুঠ ৮টা এছিয়ান দলক দুটাকৈ গ্ৰুপত ভাগ কৰা হৈছে। ভাৰতৰ লগতে সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ পাকিস্তান আৰু মালয়েছিয়াক গ্ৰুপ-এত স্থান দিয়াৰ লগতে বাংলাদেশ, শ্ৰীলংকা, আফগানিস্তান আৰু নেপালক গ্ৰুপ বিত অন্তৰ্ভুক্ত কৰা হৈছে। দুয়োটা গ্ৰুপৰ শীৰ্ষৰ দুটাকৈ দল ছেমি ফাইনেলৰ কাৰণে বাছনি কৰা হ'ব। অহা ২১ ডিচেম্বৰত প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০০

**সমাপ্ত**